**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যত অলপতে অনুষ্ঠিত বিধানসভাৰ উপ-নিৰ্বাচনত জয়ী হোৱা পাঁচগৰাকী বিধায়কে আজি বিধানসভাৰ নতুন ভৱনত আয়োজিত বিশেষ কাৰ্যসূচীত শপত গ্ৰহণ কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বঙাইগাঁৱৰ দিপ্তীময়ী চৌধুৰী, বিহালীৰ দিগন্ত ঘাটোৱাল, ধলাইৰ নিহাৰৰঞ্জন দাস, ছিদলীৰ নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু চামগুৰি সমষ্টিৰ পৰা জয়ী হোৱা দিপ্লুৰঞ্জন শৰ্মাক শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে।

০০০০

ৰাজ্যখনৰ দুটা পৰ্যটন প্ৰকল্পৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰায় ২০০ কোটি টকাৰ পুঁজি অনুমোদন জনোৱাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিছে। মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহক প্ৰদান কৰি অহা বিশেষ সাহায্যৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰংঘৰ আৰু ৰাজ্যিক চিৰিয়াখানাৰ উন্নয়নৰ বাবে এই ধনৰাশিৰ অনুমোদন জনায়। অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যানৰ বাবে ৯৭ কোটি ১২ লাখ টকা আৰু শিৱসাগৰৰ ৰংঘৰৰ সৌন্দৰ্যবৰ্ধনৰ বাবে ৯৪ কোটি ৭৬ লাখ টকা কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়। ৰাজ্যখনৰ সৰ্বাংগীন বিকাশ আৰু উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে লোৱা এই পদক্ষেপক মুখ্যমন্ত্ৰীগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰিছে।

০০০০

কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বস্ত্ৰ উদ্যোগত মহিলাৰ অংশগ্ৰহণ উল্লেখনীয়ভাৱে বৃদ্ধি হোৱা বুলি মন্তব্য কৰিছে। আজি নতুন দিল্লীত এখন সংবাদমেলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থ আঁচনিৰ অধীনত প্ৰায় ৬ লাখ মহিলা হিতাধিকাৰীক প্ৰশিক্ষণ দিয়া হৈছে। বস্ত্ৰ উদ্যোগৰ সহযোগত এই আঁচনিখনৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধিৰ লগতে দক্ষতা বিকাশৰ লক্ষ্য লোৱা হৈছে বুলিও শ্ৰীমাৰ্ঘেৰিটাই প্ৰকাশ কৰে। বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনত থকা মুঠ হিতাধিকাৰীসকলৰ মাজৰ ৮৮ শতাংশই মহিলা বুলিও তেওঁ উল্লেখ কৰে। সমাজৰ সকলো স্তৰৰ ব্যক্তিকে মূল সুতিলৈ আনি তেওঁলোকৰ সৱলিকৰণৰ হকে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

০০০০

কাজিৰঙাত অনুষ্ঠিত আন্তৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি সামৰণি পৰে। কাজিৰঙাৰ লগতে অসমৰ পৰ্যটনক আন্তৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰাৰ প্ৰয়াসেৰে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয় আৰু অসম পৰ্যটন বিভাগে এই আন্তৰাষ্ট্ৰীয় মেলাৰ আয়োজন কৰিছিল। কেবাখনো দেশৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যৰ ট্যুৰ অপাৰেটৰ আৰু প্ৰতিনিধিসকলে এই মেলাত অংশগ্ৰহণ কৰে। ইটালী, স্পেইন, শ্ৰীলংকা, আফগানিস্তান, ৰাছিয়াকে ধৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰ্যটন প্ৰতিনিধিসকলে ইয়াত অংশ লৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে অসমৰ চাহ শিল্পৰ ভূয়সী প্ৰশংসা কৰে। এই অনুষ্ঠানৰ পাছত কাজিৰঙালৈ অধিক পৰ্যটকৰ আগমন হ'ব বুলি আশা কৰা হৈছে।

০০০০

সদনৰ শীতকালীন অধিৱেশন আজি হুলস্থূলীয়া পৰিস্থিতিৰ বাবে একেৰাহে চতুৰ্থ দিনৰ কাৰ্যক্ৰমণিকা বাধাগ্ৰস্ত হয়। ৰাজ্যসভা দিনটোৰ বাবে স্থগিত ৰখাৰ বিপৰীতে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-ঢৌকনকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে লোকসভাও দিনটোৰ বাবে স্থগিত ৰখা হয়।

আজি পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ পাছত ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-ঢৌকনকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলৰ সদন স্থগিত প্ৰস্তাৱ অগ্ৰাহ্য কৰে। শ্ৰী ধনখড়ে সদনৰ কামকাজ বাধাগ্ৰস্ত কৰাৰ বাবে ২৬৭ নম্বৰ ধাৰা সদনত বাহাল কৰে। ৰাজ্যসভাৰ কামকাজ বাৰে বাৰে বাধাগ্ৰস্ত কৰাত অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰী ধনখড়ে কয়, যে বিৰোধী সদস্যসকলে সদনত বেয়া পৰিৱেশৰ সূচনা কৰিছে আৰু জনসাধাৰণৰ আশানুৰূপ কাম কৰাৰ পৰা সদনক বাধা দিছে। তেওঁ কয়, যে বিৰোধী সদস্যসকলৰ এনে ধৰণৰ কামকাজ কেতিয়াও জনসাধাৰণৰ হিতৰ বাবে নহয়।

ইফালে লোকসভা মিলিত হোৱাৰ পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টীকে ধৰি আন বিৰোধী দলৰ সদস্যসকলে বিভিন্ন ধ্বনি দি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সদনৰ শূন্যকালৰ কামকাজ সুকলমে অনুষ্ঠিত কৰাৰ চেষ্টা অব্যাহত ৰাখে যদিও বিৰোধী সদস্যসকল নিজৰ দাবীত অটল থাকে। তেওঁ কয়, যে জনসাধাৰণে সদন সুচাৰুৰূপে অনুষ্ঠিত হোৱাটো বিচাৰে যদিও বিৰোধী সদস্যসকলে সদনৰ কামকাজত বাধা আৰোপ কৰি আহিছে। এনে ধৰণৰ পৰিস্থিতিৰ বাবে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখা হয়।

০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈৰ পৰা অসমী চৰচ মেলা অনুষ্ঠিত হ'ব। অহা ১৫ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলা প্ৰতিদিনেই দিনৰ ১০ বজাৰ পৰা নিশা ৯ বজালৈ থাকিব। এই মেলাৰ জৰিয়তে জনসাধাৰণে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ লগতে দেশৰ ভিন ভিন জনগোষ্ঠীৰ চহকী হস্তশিল্প আৰু পৰম্পৰাগত সামগ্ৰী লাভ কৰিব পাৰিব। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই মেলাই মহিলা সবলীকৰণৰ লগতে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত এই মেলাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি প্ৰকাশ কৰে।

০০০০

বৰ্তমানলৈ প্ৰায় ১৫ জন জিলা আয়ুক্তই এটাকৈ জলজীৱন মিছন আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিছে বুলি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জানিবলৈ দিছে। কামৰূপ মহানগৰ, ডিব্ৰুগড়, মাজুলী, চৰাইদেউ, গোলাঘাট, ধুবুৰী, হাইলাকান্দি, দৰং আৰু ধেমাজিৰ জিলা আয়ুক্তই নিজৰ এলেকাত এটাকৈ জলজীৱন মিছন আঁচনিৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে নলযোগে বিশুদ্ধ খোৱাপানী যোগান আঁচনি পৰিদৰ্শন কৰে। এই প্ৰচেষ্টাৰ অংশ হিচাপে সাংসদ আৰু বিধায়কসকলক এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। জলজীৱন মিছনৰ সৈতে জড়িত অভিযন্তাসকলে ইতিমধ্যে এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিছে বুলি তেওঁ লগতে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এনেধৰণৰ সামূহিক প্ৰচেষ্টাই ভৱিষ্যতে পানী ব্যৱহাৰকাৰী সমিতিসমূহক সঠিকভাৱে কাম কৰি যোৱাত সহায় কৰিব।

০০০০

সমাপ্ত